# মধ্যযুগ

## প্ৰাক্‌শঙ্কৰী যুগ

দোহা ৰচনাৰ কাল যদি আমি দশম-দ্বাদশ শতাব্দী বুলি ধৰোঁ তেন্তে তাৰ পিছৰ তিনিশ বছৰকালৰ কোনো আৱিষ্কৃত স্থায়ী সাহিত্যিক নিদৰ্শন আমাৰ হাতত নাই। এই তিনিশ বছৰতে অসমীয়া ভাষাই আত্মবিকাশৰ পথত হয়তো বহুতো দূৰ আগবাঢ়ি গ'ল ; কিন্তু যি সাহিত্য এই সময়ত ৰচিত হৈছিল আগৰ অধ্যায়ৰ প্ৰাৰম্ভতে কৈ অহা কাৰণসমূহৰ কাৰণে লুপ্ত পালে । খ্ৰীষ্টীয় চতুৰ্দশ শতিকাত কেইবাজনো কবিৰ উদ্ভৱ আমি দেখা পাওঁ, সেইসকল হ'ল — ( ১) হেম সৰস্বতী, (২) ৰুদ্ৰ কন্দলী, (৩) হৰিহৰ বিপ্ৰ, (৪) কবিৰত্ন সৰস্বতী আৰু (৫) মাধৱ কন্দলী ।

এই সময়ৰ কবিসকলৰ ভাষালৈ লক্ষ্য কৰিলে দেখা পাওঁ যে অসমীয়া ভাষাই স্বকীয় বৈশিষ্ট্য লাভ কৰাৰ উপৰিও উচ্চ সাহিত্যৰ ভাব প্ৰকাশ কৰিব পৰা ক্ষমতাও অৰ্জন কৰে । মাধৱ কন্দলীৰ ভাষা আৰু বৰ্ণনাসৌষ্ঠৱে প্ৰমাণ কৰে যে এক দীৰ্ঘকালীন সাহিত্যিক পৰম্পৰাৰ তেওঁ উত্তৰাধিকাৰী আছিল । এই কবিসকলৰ হাততে অসমীয়া ভাষাৰ সাহিত্যিক ৰূপ বা সাধুভাষাই এটা নিৰ্দিষ্ট গঢ় লয় । এই সাহিত্যিক ঠাচেই পিছৰ বৈষ্ণৱ যুগৰ কবিসকলৰ হাতত পৰিপূৰ্ণতা লাভ কৰে । সৰ্বনামৰ বিভিন্ন ৰূপ, ক্ৰিয়াৰ বিভিন্ন কাল আৰু পুৰুষৰ বিভিন্ন ৰূপে নিৰ্দিষ্ট গঢ় লোৱা দেখা যায় । পিছৰ বৈষ্ণৱ যুগত পৰিহাৰ কৰা বা প্ৰয়োগ নথকা অপ্ৰচলিত বৈয়াকৰণিক প্ৰয়োগ দুই এজন কবিৰ ৰচনাত লক্ষ্য কৰা যায় ; 'ইবা' প্ৰত্যয়ান্ত অতীত কৃদন্ত পদ (বাসবে দিবাৰ অস্ত্ৰ = বাসবে দিয়া অস্ত্ৰ), 'ইল' প্ৰত্যয়ান্ত কৃদন্ত বিশেষণ (বিয়াইল বাঘিণী সমে কৰ পৰিহাস) এৰ, এৰে এৰো আদি সংযোগাত্মক স্বাৰ্থক প্ৰত্যয়ৰ ব্যৱহাৰ (হানি-এৰে, কৰি এৰো) মাধৱ কন্দলী আদি কবিৰ ৰচনাত পোৱা যায় । বৈষ্ণৱ যুগত এইবোৰৰ সঘন প্ৰয়োগ নোহোৱা হৈছিল । 'লুন্ত' 'বন্ত', 'লাহা', 'বাহা', 'লোবা', 'বোহো' আদি ধাতুপ্ৰত্যয়ৰ

কৃত্ৰিম সম্প্ৰসাৰিত ৰূপবোৰ মাজে মাজে দুই- এঠাইত ব্যৱহাৰ হৈছে যদিও বৈষ্ণৱ যুগৰ দৰে সঞ্চালনিকৈ তেতিয়াও ব্যৱহাৰ হোৱা নাছিল । ড° কাকতিৰ মতে 'ইব' আৰু ইল' প্ৰত্যয়ান্ত কালবাচক ক্ৰিয়াৰ পাছত বিভিন্ন পুৰুষৰ বিভিক্ত তেতিয়াও সম্পূৰ্ণৰূপে প্ৰতিষ্ঠিত হোৱা নাছিল ।কিন্তু সম্বন্ধবাচক বিশেষ্যৰ পাছত পুৰুষৰ বিভক্তি বা প্ৰত্যয় লগোৱা বৈশিষ্ট্য ; আৰু পৰৱৰ্তী 'আ'ৰ প্ৰভাৱত পূৰ্বৱৰ্তী 'আ' অ'লৈ ৰূপান্তৰিত হোৱা ভাষিক বৈশিষ্ট্য এই যুগতে চকুত পৰে ।[১]

ছন্দ প্ৰয়োগৰ ফালে দৃষ্টি কৰিলে দেখা যায় যে মাত্ৰাবৃত্তছন্দৰ ঠাইত আক্ষৰিক ছন্দৰ প্ৰৱৰ্তন । প্ৰত্যেক পৰ্ব আৰু চৰণত নিৰ্দিষ্ট সংখ্যক আখৰৰ (ধ্বনিৰ) সংস্থাপনে ছন্দৰ প্ৰকৃতি নিৰ্দেশ কৰিবলৈ ধৰে । চৈধ্য আখৰীয়া পয়াৰ বা পদে প্ৰধান ছন্দৰূপে স্থান লয় ।ত্ৰিপদী ছন্দৰ দুটা প্ৰধান ৰূপৰ যেনে দুলড়ী আৰু ছবিৰ সঘন প্ৰয়োগ দেখা যায় ; কিন্তু ত্ৰিপদী বা লেছাৰীৰ প্ৰয়োগ বৈষ্ণৱ যুগতহে প্ৰৱৰ্তিত হয় ।মাধৱ কন্দলীয়ে ৰামায়ণৰ স্থান বিশেষে ঝুমুড়ী ছন্দও ব্যৱহাৰ কৰিছে ।মাধৱ কন্দলীৰ ৰচনাত ব্যৱহাৰ হোৱা ঝুমুড়ী ছন্দ প্ৰক্ষিপ্ত হোৱাৰ সম্ভৱনাও নুই কৰিব নোৱাৰি । ষোড়শ শতিকাৰ গীতিকাব্যকাৰ পীতাম্বৰ আৰু সুকবি নাৰায়ণদেৱে সকলো প্ৰকাৰ ছন্দকে লাছাড়ী বা লেছাড়ী আখ্যা দিছে ; কিন্তু বৈষ্ণৱ কবিসকলৰ ৰচনাত লেছাড়ী একপ্ৰকাৰ 'দীৰ্ঘ ত্ৰিপদী' য'ত প্ৰত্যেক চৰণৰ পৰ্ব তিনিটাত ক্ৰমে ১০, ১১, ১৪ টা আখৰ বা ধ্বনি থকে। চৰ্যাপদসমূহত অন্ত্যানুপ্ৰাসযুক্ত ছন্দৰ প্ৰয়োগ লক্ষ্য কৰা যায় ।এই ৰীতিয়েই পৰৱৰ্তী অসমীয়া ছন্দৰ সাধাৰণ বিশেষত্বৰূপে প্ৰতিষ্ঠা লাভ কৰে ।

চতুৰ্দশ শতিকাৰ কবিসকলে কাব্য ৰচনাৰ প্ৰধানকৈ অনুপ্ৰেৰণা লাভ কৰিছিল সাময়িক ৰজাসকলৰপৰা । দুৰ্বোধ্য বা সহজবোধ্য নোহোৱা সংস্কৃত পুৰাণ-শাস্ত্ৰাদিত নিহিত থকা নৈতিক, ধাৰ্মিক, আধ্যাত্মিক আৰু কাব্যিক কথাবোৰ জানিবৰ উদ্দেশ্যে পণ্ডিতসকলক অনুবাদ কাৰ্যত ৰজাসকলে নিয়োগ কৰিছিল। ৰজা আৰু ডা-ডাঙৰীয়াসকলৰ নিজৰ অনুসন্ধিৎসাৰ উপৰিও হয়তো প্ৰজাসাধাৰণৰ শিক্ষা আৰু চিত্তবিনোদনৰ উদ্দেশ্যেও অনুবাদৰ দিহা কৰিছিল। পৃষ্ঠাপোষক ৰজা বা ৰাজপুৰুষ কেইজন হ'ল— কমতাপুৰৰ ৰাজা দুৰ্লভনাৰায়ণৰ পুতেক ইন্দ্ৰনাৰায়ণ, শ্ৰীমন্ত তাম্ৰধ্বজ আৰু তেওঁৰ অনুজ আৰু বৰাহ ৰজা শ্ৰীমহামাণিক্য । ত্ৰয়োদশ পঞ্চাদশ শতিকাত অসমৰ ৰাজনৈতিক অৱস্থা কেনে আছিল সেই বিষয়ে সাহিত্যিক পটভূমি বুজিবৰ কাৰণে কিছু জনা প্ৰয়োজন । ত্ৰয়োদশ শতিকাৰ প্ৰথম ভাগত কেবাবাৰো কামৰূপ মুছলমানসকলে আক্ৰমণ কৰে । প্ৰথম দুবাৰ কামৰূপৰ ৰজা পৃথুৱে ১২০৬ আৰু ১২২৬ খ্ৰীষ্টাব্দত প্ৰতিহত কৰে যদিও ১২২৮ খ্ৰীষ্টাব্দত সম্ভৱতঃ পৃথুক পৰাভূত কৰি নাছিৰুদ্দিন ইৱাজে এজন কৰতলীয়া ৰজা প্ৰতিষ্ঠা কৰি গৌড়লৈ উভতি যায়। কিন্তু কিছুদিনৰ পাছত কামৰূপৰ ৰজাই স্বতন্তৰীয়াভাৱে চলাত ১২০৫ খ্ৰীষ্টাব্দত বঙ্গৰ নবাব মালিক উজবেকে কামৰূপ আক্ৰমণ কৰি শোকাবহভাৱে বন্দী হৈ মৃত্যুৰ মুখত

পৰে । ইয়াৰ পাছত বহু বছৰলৈ, অন্ততঃ ষোড়শ শতাব্দীলৈকে মুছলমানে কামৰূপ আক্ৰমণ কৰা নাছিল । মুছলমানৰ আক্ৰমণৰ ফলত অসমৰ লগত ইচলামৰ সম্পৰ্কৰ সূত্ৰপাত হয় যাৰ প্ৰভাৱ সাংস্কৃতিক আৰু ৰাজনৈতিক জীৱনৰ সুদূৰপ্ৰসাৰী হয় বুলি ক'ব পাৰি ।

ত্ৰয়োদশ চতুৰ্দশ শতিকাত প্ৰাচীন অসম এখন ৰাজ্য নাছিল, ভালেকেইখন সৰু সৰু ৰাজ্যত বিভক্ত আছিল । পশ্চিমাঞ্চলত কামৰূপৰ আৰু পাছত কমতা ৰাজ্যই বৰ্তমান কামৰূপৰ কিছু অঞ্চল, গোৱালপাৰা আৰু উত্তৰ বঙ্গৰ কিছু অঞ্চল সামৰি লৈছিল আৰু সময়ে সময়ে কিছু সংকুচিতো হৈছিল । এই ৰাজ্যৰ কেন্দ্ৰস্থান বা ৰাজধানী ত্ৰয়োদশ শতাব্দীৰ শেষৰফালে বৰ্তমান উত্তৰ বঙ্গৰ কমতাপুৰলৈ স্থানান্তৰিত হয় আৰু ১৪৯৮ খ্ৰীষ্টাব্দলৈকে কমতাপুৰেই অসমীয়া সাহিত্য চৰ্চাৰ কেন্দ্ৰস্থল হৈ থাকে । এই কালছোৱাৰ কোনো ধাৰাবাহিক প্ৰামাণিক ইতিহাস পুনৰগঠন কৰিবলৈ টান যদিও মোটামুটিভাৱে কোন কোন ৰজাই ৰাজত্ব কৰিছিল 'কামৰূপৰ বুৰঞ্জী' ; চৰিত-পুথি ; মুছলমান ঐতিহাসিক ফাৰ্চী ৰচনাৰপৰা জানিব পাৰি । এইবোৰ বিৱৰণৰপৰা জনিব পাৰি যে ত্ৰয়োদশ শতিকাৰ মাজভাগৰপৰা পঞ্চদশ শতিকাৰ শেষলৈকে---ডেৰশ বছৰত কামৰূপ--কমতা ৰাজ্যত সন্ধ্যা, সিংহধ্বজ, প্ৰতাপধ্বজ, দুৰ্লভনাৰায়ণ, ধৰ্মনাৰায়ণ, ইন্দ্ৰনাৰায়ণ, তাম্ৰধ্বজ, ফিঙ্গুৱা, আৰিমত্ত, শুকাৰাঙ্ক, মৃগাঙ্ক, নীলধ্বজ, চক্ৰধ্বজ, নীলাম্বৰ আৰু দুৰ্লভেন্দ্ৰ আদি বহু ৰজা আৰু কেইবাটাও ৰাজবংশই ৰাজত্ব কৰিছিল । কিন্তু কোনো ৰাজবংশই সৰহদিন ৰাজত্ব কৰিব নোৱাৰিছিল । ৰজা আৰু ৰাজবংশৰ সঘন পৰিৱৰ্তনৰ ফলত সাহিত্য চৰ্চাৰ সুস্থিৰ বাতাবৰণ গঢ়ি উঠা নাছিল । এই ৰজাসকলৰ মাজত দুই এজনক সমসাময়িক অসমীয়া কবিয়ে উজ্বল কৰি ৰাখি গৈছে । সেই কেইজন হ'ল দুৰ্লভনাৰায়ণ ; পুতেক ইন্দ্ৰনাৰায়ণ আৰু তাম্ৰধ্বজ। ৰজা আৰু ৰাজবংশৰ সংঘন পৰিৱৰ্তনৰ সুবিধা লৈ মাটিগিৰী ভূঞাসকলে ঠায়ে ঠায়ে নিজকে ৰজা বুলিও ঘোষণা কৰিছিল অথবা প্ৰতিপত্তি বৃদ্ধি কৰিছিল ।

মধ্য অসমৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰে উজনিৰ দিখৌৰপৰা কলং-কপিলীলৈকে কছাৰি ৰজাই শাসন কৰিছিল । কেতিয়াবা এখন আৰু কেতিয়াবা একাধিক ৰাজ্যত কছাৰিসকলে শাসন কৰিছিল । মধ্য অসমৰ উত্তৰপাৰে, দৰঙৰপৰা নাৰায়ণপুৰলৈকে ভূঞাসকলে সৰু সৰু ৰাজ্যত ৰাজত্ব কৰিছিল । একেবাৰে পূৰ্বাঞ্চলত সদিয়া - লক্ষীমপুৰত চুটিয়া ৰাজবংশই ত্ৰয়োদশ শতিকাৰ শেষৰপৰা পঞ্চদশ শতিকালৈকে ৰাজত্ব কৰিছিল । ভূঞাসকল হিন্দু আছিল আৰু সৰহভাগেই শাক্ত আছিল কিন্তু কছাৰি ৰজাসকলে আৰু চুটিয়া ৰজাসকলে আনুষ্ঠানিকভাৱে হিন্দুধৰ্ম গ্ৰহণ কৰাৰ প্ৰমাণ নাই, অৱশ্যে ৰজাসকলৰ নামৰপৰা হিন্দু আছিল বুলি অনুমান কৰিব পাৰি । ত্ৰয়োদশ শতিকাৰ প্ৰাৰম্ভতে পাটকাই পৰ্বত পাৰ হৈ উত্তৰ-পূব ব্ৰহ্মদেশৰপৰা শ্বানজাতীয় আহোমসকলে অসমৰ পূব প্ৰান্তত প্ৰৱেশ কৰি ক্ৰমে ৰাজ্য বিস্তাৰ কৰিবলৈ আৰম্ভ

কৰে । কছাৰিক ক্ৰমে পশ্চিম-দক্ষিণলৈ ঠেলি নি পঞ্চদশ শতিকাৰ শেষত কলিয়াবৰলৈকে ৰাজ্য বিস্তাৰ কৰে ।

হিন্দুধৰ্ম এই সময়ছোৱাত বিভিন্ন জনগোষ্ঠীৰ মাজত সোমাইছিল যদিও তেতিয়াও প্ৰধানকৈ ই ব্ৰাহ্মণ, কায়স্থ, কলিতা আদি উচ্চবৰ্ণৰ মাজতে আবদ্ধ আছিল বুলি ধাৰণা হয় । কিন্তু ৰজাসকলৰ পৃষ্ঠাপোষকতাই অন্যান্য জনগোষ্ঠীৰ মাজতো ইয়াক গ্ৰহণীয় কৰাত সহায় কৰিছিল । ইয়াৰ লগে লগে অসমীয়া ভাষাৰ গীতপদ ৰচনাৰ যোগেদি, দেশখনত সাহিত্যিক ভাষাৰূপে স্বীকৃতিৰ পথত আগবাঢ়ি যাবলৈ ধৰে । অসমীয়া ভাষাৰ এনে সাৰ্বজনীন ব. াৰ প্ৰতি লক্ষ্য ৰাখিয়েই কবিসকলে সংস্কৃত ভাষাৰ ওচৰ নাচাপি অসমীয়াত সৰ্বজনবোধে গীতপদ ৰচনা কৰিবলৈ লৈছিল । জনসাধাৰণৰ মাজত কাব্যৰস বিতৰণ কৰাৰ মাধ্যমেদি নৈতিক জ্ঞান, তত্ত্বোপদেশ, ধৰ্মীয় উপদেশ আদি দান কৰি তেওঁলোকক ৰুচিসম্পন্ন কৰি তোলা কবিসকলৰ প্ৰধান উদ্দেশ্য আছিল যাতে প্ৰজাৰ মাজত শান্তি, শৃঙ্খলাভাব আৰু ৰাজভক্তি বৃদ্ধি পায় । মাধৱ কন্দলীৰ বিৱৰণৰপৰা জনা যায় যে ব্যৱসায়িক ভিত্তিত বহতো ব্যৱসায়িক সম্প্ৰাদায় বা গোষ্ঠী চতুৰ্দশ শতিকাত অসমত গঢ়ি উঠিছিল । তাৰে দুই এটাক সমাজত হেয় চকুৰে চাইছিল। কিন্তু আৰ্থিক দিশত সমাজখন প্ৰধানকৈ আছিল কৃষিভিত্তিক।

খ্ৰীষ্টীয় ত্ৰয়োদশ-পঞ্চদশ শতিকাৰ ভিতৰত কমতাপুৰত দুজন দুৰ্লভ নামৰ ৰজাই ৰাজত্ব কৰাৰ উল্লেখ পুৰণি চৰিত পুথিত পোৱা যায় । এজন মহাপুৰুষ শঙ্কৰদেৱৰ পূৰ্বপুৰুষ চণ্ডীবৰৰ সমসাময়িক আৰু আনজন কোঁচৰজা বিশ্ব সিংহৰ অভ্যুত্থানৰ সমসাময়িক ৰজা । চণ্ডীবৰৰ সমসাময়িক দুৰ্লভনাৰায়ণ ত্ৰয়োদশ শতিকাৰ শেষভাগৰ নাইবা চতুৰ্দশ শতিকাৰ আদিভাগৰ ৰজা । বিশ্বসিংহই যিজন দুৰ্লভেন্দ্ৰক বশ কৰি কমতাপুৰৰ ৰজা হৈছিল সেইজন পঞ্চদশ শতিকাৰ শেষ ভাগৰ ৰজা । পাছৰজনৰ উল্লেখ কেৱল ১৭শ ১৮ শ শতিকাৰ চৰিত পুথিতহে পোৱা যায় । চৰিত পুথিকাৰৰ ঐতিহাসিক সময়জ্ঞান সকলো ক্ষেত্ৰতে নিৰ্ভৰযোগ্য নহয় । পঞ্চদশ শতিকাৰ শেষভাগত খেন ৰজা নীলাম্বৰে কমতাপুৰত ৰাজত্ব কৰা আৰু ১৪৯৮ খ্ৰীষ্টাব্দত মুছলমানৰ আক্ৰমণত তেওঁৰ ৰাজ্য নষ্টৰ বিৱৰণ পাওঁ। দৰং ৰাজবংশাৱলীত দ্বিতীয়জন ৰজা দুৰ্লভনাৰায়ণৰ কথা উল্লেখেই নাই । পঞ্চদশ শতিকাৰ শেষৰ ৰামচৰণ ঠাকুৰৰ ৰচিত পুথি আৰু কথাগুৰু চৰিতত বিশ্বসিংহই এজন দুৰ্লভনাৰায়ণক মাৰি কমতাৰ ৰজা হোৱাৰ কথা আছে । এইজন সম্ভৱতঃ দুৰ্লভন্দ্ৰহে, দুৰ্লভেনাৰায়ণ নহয় । দুৰ্লভেন্দ্ৰ নামে এজন ৰজাই কমাতাপুৰত ৰাজত্ব কৰা বুলি কামৰূপৰ বুৰঞ্জী আৰু সুকুমাৰ মহন্তৰ ঘৰত প্ৰাপ্ত 'অসম বুৰঞ্জী' আদিত উল্লেখ আছে । অমস বুৰঞ্জী মতে সুশুদ্ধি বা গড়মা কুঁৱৰীৰ সতিনী সুলোচনাৰ পুতেক আছিল দুৰ্লভেন্দ্ৰ । ৰেডব বিৱৰণ মতেও এওঁৰ নাম দুৰ্লভেন্দ্ৰ ( Doolubindreh), দুৰ্লভনাৰায়ণ নহয় । আবিমত্তই এই দুৰ্লভেন্দ্ৰকে পৰাজয় কৰি কমতাপুৰৰ ৰজা হোৱা বুলি উল্লেখ আছে । কিন্তু দুৰ্লভেন্দ্ৰ আৰু

দুৰ্লভনাৰাযণ একেজন ৰজা যে নহয় সেইটো সহজে অনুমেয় । দুৰ্লভেন্দ্ৰ আৰু দুৰ্লভনাৰায়ণ একে বুলি ধৰিলে ৰামচৰণ আৰু ৰামদাসক (বৈষ্ণৱযুগৰ) একে বুলি কোৱাৰ সমতুল্য হ'ব । কনকলাল বৰুৱাই তাম্ৰধ্বজক দুৰ্লভনাৰায়ণৰ (চণ্ডীৱৰৰ সমসাময়িক) বেলেগীয়া ভাই গৌড়েশ্বৰ ধৰ্মনাৰায়ণৰ পুতেক বুলি চিনাকি দিছে। উক্ত ধৰ্মনাৰায়ণ আৰু দুৰ্লভনাৰায়ণৰ মাজত যি যুদ্ধ হৈছিল সেই যুদ্ধৰ ফল স্বৰূপেই ধৰ্মনাৰায়ণে চণ্ডীবৰকে প্ৰমুখ্য কৰি সাত ঘৰ ব্ৰাহ্মণ আৰু সাত ঘৰ কায়স্থ দুৰ্লভনাৰায়ণৰ ৰাজ্যলৈ পঠায় । গতিকে তাম্ৰধ্বজ আৰু দুৰ্লভনাৰায়ণৰ পুতেক ইন্দ্ৰনাৰায়ণ সমসাময়িক। তেওঁলোকক চতুৰ্দশ শতিকাৰ মাজভাগত থব পাৰোঁ । দুৰ্লভনাৰায়ণৰ ত্ৰয়োদশৰ শেষ আৰু চতুৰ্দশ আদি ভাগৰ ভিতৰত উদ্ভৱ হৈছিল । কিন্তু দুৰ্লভেন্দ্ৰ পঞ্চদশ শতিকাৰ শেষৰ ফালৰ অথবা ষোড়শ শতিকাৰ প্ৰথম দশকৰ ৰজা আছিল ।

ষোড়শ শতিকাৰ বৈষ্ণৱ আন্দোলনে প্ৰান্তীয় মাতৃভাষাক মাধ্যমৰূপে লৈ যি সাহিত্যৰ ঢল বোৱাই জনসাধাৰণক কাব্যৰস পান কৰাইছিল আৰু লাগে লগে শাস্ত্ৰীয় জ্ঞানৰ পোহৰ বিলাইছিল, দৰাচলতে চতুৰ্দশ শতিকাৰ কবিসকলেই সেই বিষয়ত পথপ্ৰদৰ্শক। কন্দলী, সৰস্বতী, কবিৰত্ন উপাধিধাৰী এই কবিসকলৰ সংস্কৃত ভাষা আৰু শাস্ত্ৰত যথেষ্ট বুৎপত্তি আছিল । ৰাজ অনুগ্ৰহ লাভ কৰি জনসাধাৰণক শিক্ষা আৰু কাব্যানন্দ দান কৰি তেওঁলোকে শাস্ত্ৰজ্ঞানৰ সমুচিত প্ৰয়োগ কৰিছিল । নিজ দেশ, কাল আৰু পাত্ৰৰ উপযোগী কৰি কাব্য ৰচনা কৰাত যি ৰীতি আৰু কৌশল তেওঁলোকে অৱলম্বন কৰিছিল, পৰৱৰ্তী বৈষ্ণৱ কবিসকলে কাব্য ৰচনাৰ সেই ৰীতি আৰু কৌশলকেই বেছি সৌষ্ঠৱশালী কৰি তুলিলে ।

চতুৰ্দশ শতিকাৰ কবিকেইজনে ৰচনাৰ বিষয়বস্তু গ্ৰহণ কৰিছিল ৰামায়ণ, মহাভাৰত আৰু দুই এখন পুৰাণৰপৰা । পৰৱৰ্তী যুগত প্ৰাধান্য লাভ কৰা ভাগৱত পুৰাণ আৰু হৰিবংশৰ জনপ্ৰিয়তা বিশেষ দেখা নাযায় । এই যুগৰ প্ৰধানকৈ অনুবাদমূলক হ'লেও কবিসকলে দেশ আৰু পাত্ৰৰ উপযোগী কৰিবৰ কাৰণে ঠায়ে ঠায়ে নিজা ৰহণ নিদিয়াকৈ থকা নাই । পৰিবেশ ৰচনাত বা পৰিস্থিতি চিত্ৰণৰ স্থানীয় ৰহণ ( Local colour) দি পাঠকৰ মন অনুৰঞ্জন কৰাৰ প্ৰচেষ্টা বিশেষভাৱে দেখা যায়।